**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 06-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

নতুন দিল্লীৰ বড়োলেণ্ড ভৱনৰ সমীপৰ লালা লাজপত ৰায় পথৰ পৰা কৈলাশ কলনী ইউ টাৰ্নলৈ পথছোৱা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে নামকৰণ কৰা হ'ব। তদুপৰি এই পথছোৱাত এটা বডোফাৰ প্ৰতিমূৰ্তিও স্থাপন কৰা হ'ব। বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে দেশৰ ৰাজধানী চহৰৰ এই পথছোৱাৰ নামকৰণৰ সিদ্ধান্তক মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই আদৰণি জনাইছে। শ্ৰী ব্ৰহ্মই এই সিদ্ধান্তৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। একেদৰে ৰাজ্যৰ বড়ো জনগোষ্ঠীৰ লোকসকলেও চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনাইছে। এই সিদ্ধান্তই বডোফাৰ ভৱিষ্যদৰ্শী নেতৃত্ব আৰু জীৱনজোৰা সাধনাক স্বীকৃতি দিয়াৰ লগতে খিলঞ্জীয়া লোকসকলৰ বাবে তেওঁৰ সংগ্ৰামকো সন্মানিত কৰিছে বুলি সংগঠনসমূহে প্ৰকাশ কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাত অনুষ্ঠিত সদৌ বাথৌ মহাসভাৰ মুকলি সভাত অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি তেওঁ নতুনকৈ গঠিত তিনিখন বাথৌ থানচালিৰ বাবে আৰ্থিক অনুদানৰ কথা ঘোষণা কৰে। গোৱেশ্বৰ, চিৰাং আৰু তেজপুৰ ঘোঁৰামাৰাত এই বাথৌ থানচালি কেইখন নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে ৰীতি-নীতি, ধৰ্মীয় আধ্যাত্মিক বিশ্বাস আৰু পৰম্পৰাসমূহে আমাক পূৰ্বপুৰুষৰ তথা প্ৰকৃতিৰ সৈতে সংযোজিত কৰি আহিছে। এই ব্যৱস্থাই আমাক সগৌৰৱে জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়। বাথৌ মহাসভাই বড়োসকলৰ ধৰ্মীয়, আধ্যাত্মিক, সাংস্কৃতিক আৰু ভাষিক চিন্তা-চেতনাক গভীৰভাৱে আলোড়িত কৰে। উল্লেখযোগ্য যে এই অনুষ্ঠানত বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়োৰ লগতে আন আন বড়ো নেতাসকল উপস্থিত থাকে।

ইফালে, বাক্সা জিলাৰ চিংৰাপাৰাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বাথৌ মহোৎসৱৰ আজি সামৰণি পৰে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন খেল-ধেমালি, চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধিয়ালৈ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়।

০০০০০

বাক্সা জিলাৰ বৰমা আৰক্ষীয়ে যোৰা নিশা অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰে। বাক্সা জিলাৰ আঙাৰধোৱাৰ পৰা বৰচিৰাল অভিমুখে এজন যুৱকে লৈ যোৱা ১০ কিলোগ্ৰাম গাঞ্জা আৰক্ষীয়ে জব্দ কৰে। আৰক্ষীয়ে গাঞ্জা সৰবৰাহ কৰা মনধন বড়ো নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ দুচকীয়া বাহনখনো জব্দ কৰে।

০০০০০

অসম নাট্য সন্মিলনে অহা ১৮ এপ্ৰিলৰ পৰা হোজাইত তিনিদিনীয়াকৈ দ্বিভাষিক নাট সমাৰোহৰ আয়োজন কৰিছে। এই সমাৰোহত প্ৰথমবাৰৰ বাবে অসমীয়া আৰু বাংলা ভাষাত চাৰিখন নাটক মঞ্চস্থ কৰা হ'ব। গুৱাহাটীৰ ড্ৰামাটিক চ'চাইটী, তেজপুৰৰ ঐতিহাসিক বান মঞ্চ আৰু লামডিঙৰ আনন্দম ড্ৰামা গোষ্ঠীয়ে এই সমাৰোহত অংশগ্ৰহণ কৰিব। হোজাই সাহিত্য সভাৰ সাহিত্যৰথী বেজবৰুৱা ভৱনত অনুষ্ঠিত এখন সংবাদমেলত হোজাই সাহিত্য সভাৰ প্ৰতিনিধিয়ে এই কথা সদৰি কৰে।

০০০০০

বিশিষ্ট শিক্ষাবিদ তথা সমাজ সংস্কাৰক অচ্যুত্য চামান্তালৈ ২০২৫ বৰ্ষৰ গুৰুদেৱ কালীচৰণ ব্ৰহ্ম বঁটা আগবঢ়োৱা হৈছে। শ্ৰীচামান্তা কলিঙ্গ ইনষ্টিটিউট অব ইণ্ডাষ্ট্ৰিয়েল টেকনোলজী আৰু কলিঙ্গ ইনষ্টিটিউট অব ছ'চিয়েল চায়েন্স প্ৰতিষ্ঠান দুটাৰ প্ৰতিষ্ঠাপক। অহা ১৮ এপ্ৰিলত কালীচৰণ ব্ৰহ্মৰ ১৬৬ সংখ্যক জয়ন্তী উপলক্ষে বৰমা মহাবিদ্যালয়ত আয়োজন কৰা এটা অনুষ্ঠানত তেওঁক এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০

মাজুলী মহাবিদ্যালয়ত কাইলৈৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। 'কিতাপ চাওঁক, কিতাপ লওঁক, কিতাপ পঢ়ক' বিষয়বস্তুৰে আয়োজিত এই গ্ৰন্থমেলাত ৰাজ্যৰ কেইবাটাও আগশাৰীৰ প্ৰকাশন প্ৰতিষ্ঠানে অংশ ল'ব। কাইলৈ পুৱা উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ পদ্মশ্ৰী সন্মানেৰে সন্মানিত গোপীৰাম বৰগায়ন বুঢ়া ভকত আতাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে অসম সাহিত্য সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

০০০০০

পশ্চিম কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা পৰম্পৰাগত মৎস্য চিকাৰ অ'ক কেপ্ৰৰ আজি সামৰণি পৰে। প্ৰতি বছৰে এপ্ৰিল মাহৰ প্ৰথমটো শনিবাৰে এই উৎসৱ উদযাপন কৰা হয়। এই কাৰ্যসূচীৰ প্ৰথম দিনটোত পৰম্পৰাগতভাৱে কাৰ্বি জনগোষ্ঠীৰ পুৰোহিত হাবে-পিনপ'সকলে মাংগলিক কাৰ্যসূচীৰে নদীত প্ৰাকৃতিক বিহ প্ৰদান কৰে। ইয়াৰ পাছৰ দিনটোত কাৰ্বি সাংস্কৃতিক সমাজৰ তৰফৰ পৰা কাৰ্বি জনগোষ্ঠীৰ যুৱক-যুৱতীকে ধৰি সকলো লোকে এই মৎস্য চিকাৰত অংশগ্ৰহণ কৰে। দুদিনীয়া কাৰ্যসূচীৰ কাৰ্বি লাংপি, কপিলী, চিনানী আৰু কলঙা নদীত মৎস্য চিকাৰ কৰা হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চানৰাইজাৰ্ছ হায়দৰাবাদে গুজৰাট টাইটানছক জয়ৰ বাবে ১৫৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। হায়দৰাবাদত অনুষ্ঠিত খেলখনত গুজৰাট টাইটানছে টছত জিকি ছানৰাইজাৰ্ছ হায়দৰাবাদক বেটিঙৰ বাবে আহ্বান জনায়। নিৰ্ধাৰিত ২০ অভাৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৮টা উইকেট হেৰুৱাই ১৫২ ৰাণ সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ নিতিশ ৰেড্ডীয়ে সৰ্বাধিক ৩১ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

সমাপ্ত